# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-07-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - -

কেন্দ্ৰীয় শক্তি দপ্তৰৰ দায়িত্ব গ্ৰহণৰ পাছত প্ৰথমবাৰলৈ অসম ভ্ৰমণলৈ অহা মনোহৰ লাল খট্টৰৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। আলোচনাকালত মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় শক্তি মন্ত্ৰী শ্ৰীখট্টৰক প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ বৰ্ধিত ঘৰৰ চাহিদাৰ বিষয়ে অৱগত কৰে। নগৰীয়া খোৱাপানী যোগানত স্বচ্ছতা অৰ্জন, গুৱাহাটীত নদীমুখ নিৰ্মাণ আৰু গুৱাহাটীৰ সমীপত জি-২০ নীতি আধাৰিত এটা নতুন ছেটেলাইট টাউনশ্বিপ বিকশিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক তেওঁ অৱগত কৰে। আলোচনাৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় শক্তি মন্ত্ৰীগৰাকীক আদৰণি জনায়।

০০০০০

কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লাল খট্টৰৰ অধ্যক্ষতাত আজি গুৱাহাটীত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয়, ত্ৰিপুৰা আৰু ছিকিমৰ লগতে অসমৰ শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থকা এই পৰ্যালোচনা বৈঠকত শক্তিৰ বিতৰণ সন্দৰ্ভত আলোচনা কৰা হয়। পৰ্যালোচনা বৈঠকত অন্তত কেন্দ্ৰীয় শক্তি মন্ত্ৰী শ্ৰীখট্টৰে সংবাদমাধ্যমক কয় যে, উত্তৰ-পূবত শক্তি আৰু পৰ্যটনৰ বহু সম্ভাৱনা আছে। বৈঠকত গুৱাহাটী স্মাৰ্ট চিটী প্ৰকল্প সন্দৰ্ভত আলোচনা হোৱা বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে, নিৰ্বাচিত স্মাৰ্ট চিটীৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক পুঁজি প্ৰদান কৰিব। স্মাৰ্ট চিটীৰ অৱশিষ্ট কাম কৰিবৰ বাবে সময়সীমা এবছৰলৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। অহা বছৰৰ মাৰ্চত ভিতৰত এই প্ৰকল্প সম্পূৰ্ণ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। অসমৰ বান পৰিস্থিতি সন্দৰ্ভতো কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয় যে, বানত ক্ষতিগ্ৰস্ত লোকৰ প্ৰতিবেদন মুখ্যমন্ত্ৰীৰ পৰা পোৱা পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেকেজ ঘোষণা কৰিব।

০০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ বিভাগৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি কৰিমগঞ্জৰ বান পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই কৰিমগঞ্জৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসন আৰু বিভাগীয় মুৰব্বীসকলৰ সৈতে বান পৰিস্থিতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত তেওঁ কয় যে, বান সাহায্য বিতৰণৰ লগতে বান পৰিস্থিতি স্বাভাৱিক হোৱাৰ পৰৱৰ্তী সময়ৰ পৰিকল্পনা ৰাজ্য চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰিছে। জিলাখনৰ বান পৰিস্থিতিৰ সময়ত জিলা প্ৰশাসন, বিজেপিৰ দলীয় কাৰ্যকৰ্তা আৰু বিভিন্ন বেচৰকাৰী সংগঠন আগবাঢ়ি অহাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে। আজিৰ পৰ্যালোচনা বৈঠকত বিধায়ক ছিদ্দিক আহমেদ, কৌশিক ৰায়, কমলাক্ষ দে' পুৰকায়স্থ, কৃষ্ণেন্দু পাল, বিজয় মালাকাৰ, অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ মিছন ৰঞ্জন দাসৰ লগতে জিলা আয়ুক্ত আৰু জলসম্পদ বিভাগৰ অভিযন্তা উপস্থিত থাকে।

০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আজি পৰীক্ষাৰ নতুন সময় সূচী ঘোষণা কৰিছে। এই অনুসৰি অহা ২৫ জুলাইত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ৰাজ্যিক মুক্ত বিদ্যালয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব। অহা ৭ আগষ্টত এই পৰীক্ষাৰ অন্ত পৰিব। একেদৰে ৯ আগষ্টৰ পৰা ব্যৱহাৰিক পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। শিক্ষা সংসদে পূৰ্বে ৩ জুলাইৰ পৰা পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু ৰাজ্যত সৃষ্টি হোৱা বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শিক্ষা সংসদে ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰীক্ষা স্থগিত ৰাখে। অৱশ্যে বান পৰিস্থিতি স্বাভাৱিক হোৱাত আজি পৰীক্ষা নতুন সময় সূচী ঘোষণা কৰে।

০০০০০

ৰাজ্য চৰকাৰে যোৱা বছৰৰ ১ ডিচেম্বৰৰ পৰা বৰ্তমানলৈ ৰাজ্যৰ কৃষকসকলৰ পৰা ন্যূনতম সমৰ্থন মূল্যত ৩ লাখ ১৪ হাজাৰ ৯৩৭ মেট্ৰিক টনৰো অধিক ধান ক্ৰয় কৰিবলৈ সমৰ্থ হৈছে। চৰকাৰী তথ্য অনুসৰি ধান ক্ৰয় প্ৰক্ৰিয়াৰে জড়িত ৪টাকৈ চৰকাৰী প্ৰতিষ্ঠান ক্ৰমে- অসম খাদ্য অসামৰিক যোগান নিগম লিমিটেডে ২ লাখ ৭১ হাজাৰৰো অধিক মেট্ৰিক টন ধান ক্ৰয় কৰাৰ লগতে অসম ৰাজ্যিক কৃষি বিপণন পৰিষদে ৩ হাজাৰ ৫০০, ভাৰতীয় খাদ্য নিগমে ১২ হাজাৰ ১০০ আৰু নাফেড নামৰ প্ৰতিষ্ঠানটোৱে ২৮ হাজাৰ ২৭২ৰো অধিক মেট্ৰিক টন ধান কৃষকৰ পৰা ক্ৰয় কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে প্ৰতি কুইণ্টল ধান ২ হাজাৰ ১৮৩ টকাৰ ন্যূনতম সমৰ্থন মূল্যত কৃষকৰ পৰা ক্ৰয় কৰিছে। ইয়াৰ বাবে ৰাজ্যত ১৭০টা ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০০

ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ বিনামূলীয়া নামভৰ্তিৰ ধন বিতৰণৰ প্ৰথম পৰ্যায়ৰ অনুষ্ঠান কাইলৈ অনুষ্ঠিত হ'ব। এই উপলক্ষে দিছপুৰৰ লোকসেৱা ভৱনত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰিব। প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মুঠ ৩৪৯খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ক ৬৮ কোটি ৪৪ লাখ টকা আদায় দিয়া হ'ব। এই আঁচনিৰ অধীনত ৯৪ হাজাৰ ৮৩৮ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ ধন ছেপ্তেম্বৰত আদায় দিয়া হ'ব।

০০০০০

সমাপ্ত